মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, APRIL 27, 2024 ■ শনিবাৰ।। ১৪ বহাগ, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ১১৭ Guwahati, Assam ।। মূল্যঃ এটকা

## দ্বিতীয় পৰ্যায়তো উত্তৰ ভাৰতত ভোটদানৰ হাৰ হ্ৰাস

# ভোট নিদিয়া ভোটাৰে নিদ্ৰা হৰিছে গেৰুৱা বাহিনীৰ

**বিশেষ প্ৰতিবেদন, ২৬ এপ্ৰিলঃ** প্ৰথম পৰ্যায়ৰ অনুৰূপ ধৰণে আজি অনুষ্ঠিত হৈ যোৱা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনতো ভোটদানৰ হাৰ পূৰ্বৰ তুলনাত অধিক হ্ৰাস পাইছে। হিন্দুত্ববাদী ৰাজনীতিৰ প্ৰয়োগশালাস্বৰূপ হিন্দী বলয়ৰ ৪ ৰাজ্যত হঠাতে নিৰ্বাচনৰ প্ৰতি আগ্ৰহ হেৰুৱাই পেলাইছে ভোটাৰে। বিজেপিৰ ঘাটিস্বৰূপ হৈ পৰা উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থান আৰু শেষাংশ ২ পৃষ্ঠাত

## লাদাখৰ পিছত ছিয়াচেনতো চলিছে চীনা কুচকাৱাজ

**শ্ৰীনগৰ, ২৬ এপ্ৰিলঃ** পূব লাডাখৰ পিছত এইবাৰ ছিয়াচেনত চলিছে ৰঙা চীনৰ কুচকাৱাজ। পাক অধিকৃত ভাৰতৰ ভূখণ্ড শাক্সগাম শেষাংশ ৩ পৃষ্ঠাত

## ইভিএমক লৈ দুই 'ছুপ্ৰিম নিৰ্দেশ'

**নতুন দিল্লী, ২৬ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ মাজতে ইভিএমত প্ৰদান কৰা ভোটৰ ভিভিপিএটিৰ শ্লিপৰ সৈতে মিলাই চোৱাৰ বাবে দাখিল কৰা আবেদন খাৰিজ কৰিলে উচ্চতম ন্যায়ালয়ে। শুকুৰবাৰে দেশৰ সৰ্বোচ্চ শেষাংশ ৩ পৃষ্ঠাত



ভোট দি উৎফুল্লিত এগৰাকী যুৱতী, হামৰেণত

## মল্লিকাৰ্জুন খাৰ্গেৰ আজি অসম ভ্ৰমণ

■ সবিশেষ ৬ পৃষ্ঠাত

## ৰে'ল নচলিল! ভোট দিয়া নহ'ল বহু ভোটাৰৰ

■ সবিশেষ ৯ পৃষ্ঠাত চাওক


## তেজপুৰত স্বামীৰ হাতত পত্নীৰ মৃত্যু

■ সবিশেষ ৭ পৃষ্ঠাত

## ভোট দিবলৈ আহি পালে নিজৰ মৃত্যুৰ খবৰ!

■ সবিশেষ বাতৰি ৬ পৃষ্ঠাত চাওক

## 'এনক্ৰিপশ্যন' উঠাই দিলে ভাৰত এৰি যোৱাৰ হুংকাৰ হোৱাটছএপৰ



**নতুন দিল্লী, ২৬ এপ্ৰিলঃ** লাগিলে ভাৰত এৰি যাব হোৱাটছএপে, কিন্তু তৎসত্বেও উলংঘা নকৰে গোপনীয়তাৰ নিয়ম। শুকুৰবাৰে দিল্লী উচ্চ ন্যায়ালয়ত এইদৰে কয় শেষাংশ ৪ পৃষ্ঠাত

## গুগলত ১০০ কোটিৰ বিজ্ঞাপন

**নতুন দিল্লী, ২৬ এপ্ৰিলঃ** যোৱা ৬ বছৰত গুগল আৰু ইউটিউবত প্ৰদান কৰা বিজ্ঞাপনৰ নামত খৰছ কৰা ধনেৰে নজিৰ গঢ়িছে ভাৰতীয় জনতা শেষাংশ ৪ পৃষ্ঠাত

### ৫ সমষ্টিত শান্তিপূৰ্ণ ভোটগ্ৰহণ

## বিৰোধীৰ আশা নগাঁও, কৰিমগঞ্জ!

**ই-সংবাদ, ২৬ এপ্ৰিলঃ** আজি দ্বিতীয় পৰ্যায়ত অসমৰ ৫টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হয়। মধ্য অসমৰ গুৰুত্বপূৰ্ণ শেষাংশ ৫ পৃষ্ঠাত

## নগদ ৫ কোটি টকাসহ ধৰা পৰিল বিজেপি প্ৰাৰ্থী

**বাংগালুৰু, ২৬ এপ্ৰিলঃ** শুকুৰবাৰে অনুষ্ঠিত হোৱা ১৮সংখ্যক লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ ঠিক পূৰ্বে ভোটাৰৰ মাজত বিলাবলৈ কেইবা কোটি শেষাংশ ২ পৃষ্ঠাত

## বিহাৰত নিৰ্বাচন খেলিব নৱ শৰণীয়াই

**ই-সংবাদ, তামুলপুৰ, ২৬ এপ্ৰিলঃ** দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ অন্তৰ্গত তামুলপুৰ বিধানসভা সমষ্টিত শান্তিপূৰ্ণভাৱে সম্পন্ন হয় ভোটগ্ৰহণ। পুৱা ৭ বজাৰ পৰা



বিয়লি ৫ বজালৈ প্ৰতিটো ভোটকেন্দ্ৰত ভোটাৰ ৰাইজে দীঘলীয়াকৈ শাৰী পাতি নিজৰ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। শেষাংশ ৫ পৃষ্ঠাতত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভোট নিদিয়া ভোটাৰে নিদ্ৰা

মধ্যপ্ৰদেশ এই ৪খন ৰাজ্যত ২০১৪ আৰু ২০১৯ চনৰ তুলনাত ভোটাদানৰ গ্ৰাফ যথেষ্ট নিম্নগামী হোৱা দেখা গৈছে৷ বিজেপি শাসিত হিন্দী বলয়ৰ এই ৰাজ্যকেইখনত প্ৰায় আধাসংখ্যক ভোটাৰ ঘৰৰ পৰা ওলাই নহা বিষয়টোৱে এতিয়া শংকিত কৰি তুলিছে শাসক-বিৰোধী উভয় পক্ষকে। গণতান্ত্ৰিক অধিকাৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ অনীহা জন্মা বিষয়টো ৰাজনৈতিক মহলতো চৰ্চাৰ বিষয় হৈ পৰিছে৷ উল্লেখ্য যে শুকুৰবাৰে দেশজুৰি অনুষ্ঠিত ১৮ সংখ্যক লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত নিশা ৯ বজাত নিৰ্বাচন আয়োগে প্ৰকাশ কৰা তথ্য অনুযায়ী ভোটদানৰ হাৰ হৈছে মাত্ৰ ৬০.৯৬ শতাংশ। দ্বিতীয় পৰ্যায়ত ৫৪.৮৫ শতাংশ ভোটদানৰ হাৰেৰে সৰ্বনিম্ন স্থানত আছে উত্তৰ প্ৰদেশ। উত্তৰ প্ৰদেশৰ আজি ভোটগ্ৰহণ হৈ যোৱা গাজিয়াবাদত যোৱাবাৰৰ তুলনাত প্ৰায় ৭ শতাংশ ভোটদান হ্ৰাস পাইছে৷ গাজিয়াবাদত এইবাৰ ভোটদান হৈছে ৪৮.২১ শতাংশ আৰু যোৱাবাৰ ভোটদানৰ হাৰ আছি ৫৫.৮৬ শতাংশ৷ মথুৰাত যোৱাবাৰ ৬১ শতাংশ আৰু এইবাৰ ৪৭.৪৫ শতাংশ ভোটদান হৈছে৷ বিহাৰৰ বাংকাত এইবাৰ ৪৯.৫ শতাংশ ভোটাদান হৈছে আৰু যোৱাবাৰ ৫৮.৬ শতাংশ ভোটদান হৈছিল৷ ভাগলপুৰত এইবাৰ ৪৭.৭৮ আৰু যোৱাবাৰ ৫৭.১৬ শতাংশ ভোটদান হৈছিল৷ মধ্যপ্ৰদেশৰ ৰেৱাত এইবাৰ ৪৫.৯৪ শতাংশ আৰু যোৱাবাৰ ৬০.৩৩ শতাংশ ভোটদান হৈছিল৷ এতিয়া এনেদৰেই হিন্দী বেল্টত বহু সংসদীয় সমষ্টিত ভোটদানৰ হাৰ ৫০ শতাংশতকৈ কম হৈছে৷ ভোটাৰ ভোট দিবলৈ ওলাই নহাত আচৰিত হৈছে নিৰ্বাচনী বিশেষজ্ঞ৷ ইয়াৰ কাৰণ বিচাৰি উলিয়াব পৰা অৱস্থাত নাই৷ চৰকাৰৰৰ বিৰুদ্ধে নাৰাজ হৈ ভোট দিবলৈ অহা নাই নে অন্য কাৰণত এনে পৰিস্থিতিৰ সৃষ্টি হৈছে সেয়া নিৰ্বাচনী ফলাফলৰ পাছতেহ গম পোৱা যাব৷ উত্তৰ ভাৰতৰ লগতে বিজেপি মিত্ৰজোঁটৰ চৰকাৰ থকা তথা সাংসদৰ দিশেৰে বিজেপিৰ আধিপত্য থকা মহাৰাষ্ট্ৰতো হ্ৰাস পাইছে ভোটদানৰ হাৰ। মহাৰাষ্ট্ৰৰ অমৰাৱতীত যোৱাবাৰতকৈ ৭ শতাংশ ভোটদান হ্ৰাস পাইছে৷ অমৰাৱতীত এইবাৰ ৫৪.৫ শতাংশ আৰু ২০১৯ চনত ভোটদানৰ হাৰ আছিল ৬০.৬৮ শতাংশ৷ মন কৰিবলগীয়া যে, ২০১৯ চনত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হোৱা মুঠ ৮৯খন আসনৰ ভিতৰত এনডিএয়ে ৫৬খন আৰু ইউপিএয়ে ২৪খন আসন লাভ কৰিছিল। এইবাৰ সাতটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'বলগীয়া ১৮ সংখ্যক লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত যোৱা শুকুৰবাৰে ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হৈ যায়। প্ৰথম পৰ্যায়ত ভোটদানৰ হাৰ আছিল প্ৰায় ৬৫.৫ শতাংশ। আজি ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮টা সমষ্টিৰ বাবে দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত ভাগ্য নিৰ্ণয় হ'ব ১২০০ৰো অধিক প্ৰাৰ্থীৰ। উল্লেখ্য যে, দ্বিতীয় পৰ্যায়ত নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি দ্বিতীয় পৰ্যায়ত সৰ্বাধিক ভোটাধিকাৰ সাব্যস্ত হয় ত্ৰিপুৰাত। ৰাজ্যখনত ভোটদানৰ হাৰ আছিল ৭৯.১৬ শতাংশ। আনফালে গোষ্ঠীগত হিংসাই বিভীষিকাৰ সৃষ্টি কৰা মণিপুৰত শুকুৰবাৰৰ দিনটোত ৭৭.২০ শতাংশ ভোটাৰে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। একেদৰে ছত্তীশগড়ত ৭২.৫০ শতাংশ, পশ্চিম বংগত ৭১.৮০ শতাংশ, অসমত ৭১.১১ শতাংশ, জম্মু-কাশ্মীৰত ৬৭.৪০ শতাংশ, কেৰালাত ৬৫.০০ শতাংশ, কৰ্ণাটকত ৬৪.৬০ শতাংশ, ৰাজস্থানত ৬০.৫০ শতাংশ, মধ্যপ্ৰদেশত ৫৫.৫০ শতাংশ, মহাৰাষ্ট্ৰত ৫৩.৭০ শতাংশ আৰু বিহাৰত ৫৫.০৮ শতাংশ ভোটাৰে ভোটদান কৰে। উল্লেখ্য যে, দ্বিতীয় পৰ্যায়ত কেৰালাৰ সকলো ২০খন আসন, কৰ্ণাটকৰ ২৮খন আসনৰ ভিতৰত ১৪খন, ৰাজস্থানৰ ১৩খন, মহাৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশৰ ৮খনকৈ আসন, মধ্যপ্ৰদেশৰ ৭খন আসন, অসম আৰু বিহাৰৰ ৫খনকৈ আসন, ছত্তীশগড় আৰু পশ্চিমবংগৰ ৩খনকৈ আসন আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এখনকৈ আসনত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নগদ ৫ কোটি টকাসহ

মজুত কৰি ৰখাৰ অভিযোগত আটক হয় বিজেপিৰ এজন প্ৰাৰ্থী। বৃহস্পতিবাৰে নিৰ্বাচন আয়োগৰ ফ্লাই স্কোৱাডৰ দলে অভিযান চলাই এটা বাসগৃহৰ পৰা ৪.৮ কোটি টকা উদ্ধাৰ কৰাৰ পিছতে আটক কৰা হয় কৰ্ণাটকৰ চিক্কাবল্লাপুৰা লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কে সুধাকৰক। উল্লেখ্য যে, এই সমষ্টিটোত শুকুৰবাৰে দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হৈ যায়। কৰ্ণাটকৰ মুখ্য নিৰ্বাচনী বিষয়াই সদৰী কৰা মতে, জনপ্ৰতিনিধিত্ব আইন আৰু ভাৰতীয় দণ্ডবিধিৰ প্ৰাসংগিক ধাৰাসমূহৰ অধীনত নিৰ্বাচকসকলৰ ওপৰত উৎকোচ আৰু অযথা প্ৰভাৱৰ বাবে এফআইআৰ পঞ্জীয়ন কৰা হৈছে। জানিব পৰা মতে, কোনো অজ্ঞাত ফোনকৰ্তাই বৃহস্পতিবাৰে চিক্কাবল্লাপুৰা সমষ্টিৰ অন্তৰ্গত য়েলাহাংকাৰ এটা বাসগৃহত বুজন পৰিমাণৰ ধন মজুত কৰি ৰখা বুলি ধনৰ জিপিএছ লোকেশ্যন নিৰ্বাচন আয়োগলৈ প্ৰেৰণ কৰে। ইয়াৰ পিছতে ফ্লায়িং স্কোয়াডৰ দলে বাসগৃহটোত অভিযান চলাই ৪.৮ কোটি টকা নগদ ধন উদ্ধাৰ কৰে। এই বৃহৎ পৰিমাণৰ ধনখিনি নিৰ্বাচনত ভোটাৰক প্ৰভাৱিত কৰাৰ উদ্দেশ্যে বিলোৱাৰ পৰিকল্পনা কৰা হৈছিল বুলি সন্দেহ ব্যক্ত কৰে নিৰ্বাচন আয়োগে। নিৰ্বাচন আয়োগে উদ্ধাৰ কৰা এই ধনখিনিৰ সৈতে বিজেপি প্ৰাৰ্থী কে সুধাকৰৰ সংযোগ সন্দৰ্ভত প্ৰাৰ্থীগৰাকীৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰি আটক কৰে নিৰ্বাচন আয়োগে। উল্লেখ্য যে, শুকুৰবাৰে দেশজুৰি অনুষ্ঠিত হোৱা দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত কৰ্ণাটকৰ ১৪টা সমষ্টিৰ বাবেও ভোটগ্ৰহণ অনুষ্ঠিত হয়। ৰাজ্যখনত শুকুৰবাৰে ভোটদানৰ হাৰ আছিল ৬৪.৬০ শতাংশ। উল্লেখ্য যে আজি কৰ্ণাটকত বিজেপি প্ৰাৰ্থী তেজস্বী সূৰিয়াৰ বিৰুদ্ধে ঘৃণাসূচক ভাষণ দিয়াৰ অভিযোগতো নিৰ্বাচন আয়োগে নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। প্ৰাপ্ত খবৰ অনুযায়ী আজি ভোটগ্ৰহণৰ দিনটোত ৰাজ্যখনত ৫টাকৈ অভিযোগ লাভ কৰিছে আয়োগে। কেবাটাও ভোটগ্ৰহণ কেন্দ্ৰত ইভিএমত বিজুতি ধৰা পৰাত ক্ষুব্ধ লোকে ইভিএম ভাঙি পেলোৱাৰো খবৰ পোৱা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লাদাখৰ পিছত ছিয়াচেনতো

অঞ্চলত (সামৰিক ভাষাত ট্ৰেন্স কাৰাকোৰাম ট্ৰেক্ট) শেহতীয়াকৈ চীনৰ পথ আৰু সুৰংগ নিৰ্মাণৰ কাৰ্যকলাপ পোহৰলৈ অহাৰ পিছতে আকৌ এবাৰ বৃদ্ধি পাইছে উত্তেজনা। মেক্সাৰ টেকন'লজিয়ে প্ৰকাশ কৰা নতুন উপগ্ৰহৰ ছবিত দেখা পোৱা অনুসৰি চীনৰ পিপলছ লিবাৰেচন আৰ্মীয়ে শাক্সগাম অঞ্চলত স্থায়ী নিৰ্মাণৰ কাম চলাই আছে। উল্লেখ্য যে, ১৯৪৮ চনত পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ সেই অঞ্চল দখল কৰিছিল। ১৯৬০ চনত ইছলামবাদে ছিয়াচেন হিমবাহৰ পূব প্ৰান্তত থকা শাক্সগাম অঞ্চল বেইজিঙৰ হাতত অৰ্পণ কৰে। বিগত কেইবছৰমানৰ পৰা চীনা সেনাই ভাৰতৰ ভূখণ্ডৰ ভিতৰতো পূব লাডাখ, উত্তৰাখণ্ড, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষত গাঁও নিৰ্মাণ কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। এইবাৰ ইয়াৰ উদাহৰণ ছিয়াচেন অঞ্চলতো পোৱা গ'ল। প্ৰণিধানযোগ্য যে, কেইবছৰমানৰ আগতে উপগ্ৰহৰ ছবিত পাংগং হ্ৰদৰ উত্তৰ আৰু দক্ষিণ পাৰৰ পৰা চীনৰ সামৰিক নিৰ্মাণ দলঙৰ 'কাৰ্য্যকলাপ' দেখা গৈছিল। পিছত মেক্সাৰে প্ৰকাশ কৰা উপগ্ৰহৰ ছবিত দেখা গৈছে যে চীনা সেনাই এল এল চিৰ ওচৰৰ আকছাই চিন অঞ্চলত স্থায়ী বাংকাৰ আৰু বৃহৎ সুৰংগ নিৰ্মাণ কৰিছে। ভাৰতৰ মতে ছি জিনপিঙৰ সেনাৰ এই পদক্ষেপ ভৱিষ্যতৰ সংঘাতৰ পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ লক্ষ্যৰে লোৱা হৈছে। ২০২৩ চনৰ জুলাই-আগষ্ট মাহত লোৱা উপগ্ৰহৰ ছবিসমূহৰ বিশ্লেষণ অনুসৰি প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, মাটিৰ তলৰ বাংকাৰত গধুৰ অস্ত্ৰ আৰু বৃহৎ পৰিমাণৰ লজিষ্টিক সামগ্ৰী সংৰক্ষণৰ ব্যৱস্থা আছে। প্ৰসংগক্ৰমে সেই সময়ত ছিয়াচেনৰ উপগ্ৰহৰ ছবিও লোৱা হৈছিল। মন কৰিবলগীয়া যে, কাৰাকোৰাম ঘাইপথ (আনুষ্ঠানিকভাৱে চীন-পাকিস্তান ইকনমিক কৰিডৰ বা চিপিইচি নামেৰে জনাজাত) পশ্চিম চীনৰ জিনজিয়াং প্ৰদেশৰ কাছগড়ৰ পৰা দক্ষিণ পাকিস্তানৰ গদৰ বন্দৰলৈকে গৈ শাক্সগাম উপত্যকাৰ মাজেৰে পাৰ হৈ যায়। ১৩০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই 'বাই লেন' ঘাইপথটো চীনৰ 'ৱান বেল্ট ৱান ৰোড' কাৰ্যসূচীৰ অন্যতম মূল অংশ। প্ৰতিৰক্ষা বিশেষজ্ঞৰ এটা অংশই দাবী কৰা মতে যুদ্ধৰ পৰিস্থিতিত সৈন্য আৰু সামৰিক সঁজুলিৰ দ্ৰুত পৰিবহণৰ বাবে চীনা সেনাই শাক্সগাম-চিপিইচি সংযোগী পথ নিৰ্মাণ কৰি আছে। চীনৰ এই সামৰিক কুচকাৱাজ ভাৰতৰ বাবে উদ্বেগজনক বুলিও দাবী কৰে প্ৰতিৰক্ষা বিশেষজ্ঞসকলে। উল্লেখ্য যে লাদাখত চীনে বহু অঞ্চল দখল কৰা বুলি সোনম ৱাংচুকেও দাবী কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইভিএমক লৈ দুই 'ছুপ্ৰিম নিৰ্দেশ'

ন্যায়ালয়ে এই আবেদন খাৰিজ কৰি নিজৰ সিদ্ধান্তত কয় যে ইভিএমৰ ওপৰত সন্দেহ উত্থাপন কৰা আবেদন ইয়াৰ পূৰ্বেও উচ্চতম ন্যায়ালয়ত দাখিল কৰা হৈ আহিছে। এতিয়া এই বিষয়টোক চিৰদিনৰ বাবে বন্ধ কৰি দিয়া উচিত। ইভিএমৰ বিৰুদ্ধে কোনো নিৰ্দিষ্ট প্ৰমাণ আগলৈ দাখিল কৰিব নোৱাৰা পৰ্যন্ত বৰ্তমানৰ ব্যৱস্থাটোকে নিৰন্তৰ উন্নতিৰ সৈতে কাৰ্যকৰী কৰি থাকিব লাগে বুলিও মন্তব্য কৰে উচ্চতম ন্যায়ালয়ে। ন্যায়ালয়ে কয় যে ইভিএমৰ পৰিৱৰ্তে ভোটদানৰ বাবে বেলট পেপাৰ বা আন কোনো পুৰণি ব্যৱস্থা গ্ৰহণ কৰাটো এৰাই চলা উচিত। অৱশ্যে ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বত গঠিত বিচাৰপীঠে ভাৰতীয় নিৰ্বাচন আয়োগক ভিভিপিএটিৰ স্লিপত দলৰ নিৰ্বাচনী চিহ্নৰ বাহিৰে মেচিনেৰে গণনা কৰিব পৰা আন কোনো বাৰক'ড থাকিব পাৰে নেকি সেই বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ কয়। তেওঁৰ ৰায়দানত ন্যায়াধীশ খান্নাই এই গোচৰত দুটা দিশ গৃহীত কৰে। প্ৰথমতে, চিম্বল লোডিং প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত ১ মে' বা তাৰ পিছত সকলো চিম্বল লোডিং ইউনিট (এছএলইউ) ছীল কৰা হ'ব আৰু ফলাফল ঘোষণাৰ পিছত কমেও ৪৫ দিনৰ বাবে ষ্ট্ৰং ৰুমত ৰখা হ'ব। শীৰ্ষ আদালতে কয় যে নিৰ্বাচনী চিম্বল লোডিং ইউনিট কঢ়িয়াই নিয়া কণ্টেইনাৰসমূহ ভোটগ্ৰহণ এজেণ্ট আৰু প্ৰাৰ্থীৰ উপস্থিতিত ছীল কৰিব লাগে আৰু কমেও ৪৫ দিনৰ বাবে ষ্ট্ৰং ৰুমত ৰাখিব লাগে। কণ্ট্ৰল ইউনিট, বেলট ইউনিট আৰু ভিভিপিএটিৰ পৰীক্ষা গণনাৰ ফলাফলৰ পিছত উৎপাদন কোম্পানীসমূহৰ অভিযন্তাৰ দ্বাৰা পৰীক্ষা কৰা হ'ব। ন্যায়ালয়ে কয় যে দ্বিতীয় আৰু তৃতীয় সৰ্বাধিক ভোট লাভ কৰা প্ৰাৰ্থীসকলৰ লিখিত অনুৰোধৰ ভিত্তিত ফলাফল ঘোষণা কৰাৰ পিছত ইভিএম নিৰ্মাতা কোম্পানীসমূহৰ অভিযন্তাৰ এটা দলে বাৰ্ণ্ট মেম'ৰী অৰ্ধপৰিবাহীটোৰ তদন্ত কৰিব। উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠত নিজৰ সিদ্ধান্তত লগতে কয়, "পৰীক্ষাৰ সময়ত সকলো প্ৰাৰ্থী বা তেওঁলোকৰ প্ৰতিনিধি উপস্থিত থাকিব পাৰে। ফলাফল ঘোষণাৰ তাৰিখৰ পৰা ৭ দিনৰ ভিতৰত এই কাম কৰিব লাগে। পৰীক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত প্ৰকৃত ব্যয় বা খৰচ নিৰ্বাচন আয়োগে অৱগত কৰিব আৰু প্ৰাৰ্থীয়ে একেখিনি ধন দিব।'' উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিয়ে যে ইভিএমত যদি কোনো দোষ ধৰা পৰে তেন্তে সেই ধন ঘূৰাই দিয়া হ'ব। ইফালে উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ পিছতে বিৰোধীক আক্ৰমণৰ লক্ষ্য কৰি লয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ কয় যে বিৰোধীয়ে ইমান দিনে ইভিএমক লৈ কান্দিছিল। উচ্চতম ন্যায়ালয়ে তেওঁলোকৰ গালত চৰ শোধালে। এইবাৰ তেওঁলোকে ক্ষমা খুজিব লাগে। ইফালে আজিৰ ৰায়দানৰ পিছতে বিৰোধীক আক্ৰমণৰ লক্ষ্য কৰি লৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এখন নিৰ্বাচনী সভাত মোদীয়ে কয়, 'ইণ্ডি মিত্ৰজোঁটৰ প্ৰতিগৰাকী নেতাই ইভিএমক লৈ দেশবাসীৰ মনত সন্দেহ সৃষ্টি কৰি পাপ কৰিছে। আজি সৰ্বোচ্চ ন্যায়ালয়ে সেইসকলক ভালকৈয়ে এসেকা দিলে। আদালতে স্পষ্ট কৰি দিছে যে বেলট পেপাৰৰ সেই পুৰণি দিনবোৰ আৰু কেতিয়াও ঘূৰি নাহে।' উল্লেখ্য যে কংগ্ৰেছ, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী, আৰজেডিকে ধৰি বিৰোধী দলসমূহে দীৰ্ঘসময় ধৰি ইভিএমক লৈ প্ৰশ্ন উত্থাপন কৰি অহা দেখা গৈছে। অৱশ্যে বিৰোধীত থকা সময়ত বিজেপিয়েও ইভিএমক লৈ সেই সময়ৰ কংগ্ৰেছ চৰকাৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছিল যদিও চৰকাৰ গঠনৰ পিছতে সুৰ সলনি হৈ পৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘এনক্ৰিপশ্যন’ উঠাই দিলে

মেটাৰ অধিবক্তাই। ২০২১ চনত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা তথ্য প্ৰযুক্তিৰ নিয়মৰ ক্ষেত্ৰত হোৱাটছএপে নিজৰ স্থিতি স্পষ্ট কৰি মেটাৰ অধিবক্তাই কয় যে গোপনীয়তাৰ নিশ্চয়তাৰ বাবেই মানুহে হোৱাটছএপ ব্যৱহাৰ কৰে। গতিকে ইয়াৰ সৈতে লগত কোনো আপোচ কৰিব নোৱাৰি। উল্লেখ্য যে, ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত কেন্দ্ৰীয় চৰকাৰে তথ্য প্ৰযুক্তি (মধ্যৱৰ্তী নিৰ্দেশনা আৰু ডিজিটেল মিডিয়া নৈতিকতা সংহিতা) নিয়ম, ২০২১ জাৰি কৰিছিল। কোৱা হৈছিল যে টুইটাৰ (এতিয়া এক্স), ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটছএপৰ দৰে ছ’চিয়েল মিডিয়াই নতুন নিয়ম মানি চলিব লাগিব। প্ৰয়োজন হ’লে চাট অনুসৰণ কৰি যিকোনো ভাইৰেল তথ্যৰ উৎস বিচাৰি উলিয়াব লাগিব বুলিও নিয়ম জাৰি কৰিছিল মোদী চৰকাৰে। মন কৰিবলগীয়া যে, হোৱাটছএপে ‘এণ্ড টু এণ্ড এনক্ৰিপচন’ সেৱা আগবঢ়াই আহিছে গ্ৰাহকসকলক। ইয়াৰ জৰিয়তে যিকোনো চাট নিজ নিজ ব্যৱহাৰকাৰীৰ বাবে সীমাবদ্ধ। সেই কথা-বতৰাত বাহিৰৰ কাৰোৱেই সুবিধা নাপায়। আনকি হোৱাটছএপৰ মূল কোম্পানী মেটাইও সেই চাটবোৰ পঢ়িব নোৱাৰে। কিন্তু প্ৰয়োজন হ’লে গ্ৰাহকৰ এই গোপনীয়তাৰ দেৱালখন হোৱাটছএপে ভাঙি পেলাব লাগিব বুলি কেন্দ্ৰীয় নিয়ম জাৰি কৰে যদিও মেটা কৰ্তৃপক্ষই এয়া মানি ল’বলৈ অস্বীকাৰ কৰে। এই গোচৰৰে শুনানিত দিল্লী উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ মনমোহন আৰু ন্যায়াধীশ মনমীত প্ৰীতম সিং অৰোৰাৰ বিচাৰপীঠৰ সন্মুখত মেটাৰ অধিবক্তাই কয় যে তেওঁলোকে গোপনীয়তা ৰক্ষাৰ পথ ভংগ কৰাটো সম্ভৱ নহয়। তেনে কৰিবলৈ হ’লে বাৰ্তাৰ এখন দীঘলীয়া তালিকা বহুদিনলৈ ৰাখিব লাগিব। কাৰণ কোনো বাৰ্তাৰ বিষয়ে কেতিয়া তথ্যৰ প্ৰয়োজন হ’ব সেয়া আগতীয়াকৈ নিৰ্ধাৰণ কৰিব নোৱাৰি। ফলত লাখ লাখ বাৰ্তা বছৰ বছৰ ধৰি সংৰক্ষণ কৰিব লাগিব, যিটো অসম্ভৱ। গতিকে এই নিয়ম যদি হোৱাটছএপত প্ৰযোজ্য হয় তেন্তে তেওঁলোকে ভাৰত এৰি যাবলৈ বাধ্য হ’ব। বিশ্বৰ আন কোনো দেশত হোৱাটছএপ সন্দৰ্ভত এনে কোনো নিয়ম প্ৰৱৰ্তন কৰা নাই বুলিও দাবী কৰে মেটাৰ অধিবক্তাগৰাকীয়ে। ইফালে এই গোচৰত কেন্দ্ৰীয় চৰকাৰৰ অধিবক্তাই যুক্তি আগবঢ়ায় যে ছ’চিয়েল মিডিয়াত আপত্তিজনক বাৰ্তা প্ৰচাৰৰ আহিলা হিচাপে প্ৰায়ে হোৱাটছএপ ব্যৱহাৰ কৰা হয়। যিটো জনসাধাৰণৰ বাবে ক্ষতিকাৰক। আনকি, এনে বাৰ্তাই কেতিয়াবা সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি কৰে। গতিকে ২০২১ চনৰ সেই নিয়ম প্ৰৱৰ্তন কৰাটো প্ৰয়োজনীয় আছিল। দুয়োপক্ষৰ যুক্তি শুনাৰ পিছত আদালতে পৰ্যবেক্ষণ কৰে যে সাধাৰণ মানুহৰ গোপনীয়তাৰ অধিকাৰ আছে। কিন্তু ই কেতিয়াও নিৰপেক্ষ নহয়। দুয়োৰে মাজত ভাৰসাম্য ৰক্ষা কৰাটো প্ৰয়োজন। ১৪ আগষ্টত পুনৰ দিল্লী উচ্চ ন্যায়ালয়ত শুনানিৰ বাবে আহিব এই গোচৰ। ১৪ আগষ্টত দিল্লী উচ্চ ন্যায়ালয়ে ২০২১ চনত কেন্দ্ৰই আই টি নৰ্ম ঘোষণা কৰাৰ বিভিন্ন দিশক প্ৰত্যাহ্বান জনাই এতিয়ালৈকে উচ্চতম ন্যায়ালয়ত দাখিল কৰা সকলো গোচৰৰ শুনানি গ্ৰহণ কৰিব। উল্লেখ্য যে, উচ্চতম ন্যায়ালয়ে ২২ মাৰ্চত এই গোচৰসমূহ দিল্লী উচ্চ ন্যায়ালয়লৈ হস্তান্তৰ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুগলত ১০০ কোটিৰ বিজ্ঞাপন

পাৰ্টিয়ে। বিগত ৬ বছৰত ১০০ কোটিৰো অধিক টকা কেৱল গুগল, ইউটিউবৰ বিজ্ঞাপনৰ নামতে ব্যয় কৰি ভাৰতীয় ৰাজনৈতিক ইতিহাসত বিজ্ঞাপনৰ নামত ইমান ধন খৰছ কৰা প্ৰথমটো দল হিচাপে পৰিগণিত হৈছে বিজেপি। উল্লেখ্য যে, ২০১৮ চনৰ মে’ মাহৰ পৰা গুগলে বিজ্ঞাপনৰ ‘স্বচ্ছতা প্ৰতিবেদন’ প্ৰকাশ কৰি আহিছে। এই প্ৰতিবেদন অনুসৰি গুগলত ২০১৮ চনৰ মে’ মাহৰ পৰা ২০২৪ৰ ২৫ এপ্ৰিললৈকে কংগ্ৰেছ, ডি এম কে, ৰাজনৈতিক পৰামৰ্শদাতা সংস্থা ইণ্ডিয়ান পলিটিকেল একচন কমিটি (আই-পিএচি)য়ে সৰ্বমুঠ ব্যয় কৰা ধনতকৈও অধিক ধন অকলেই ব্যয় কৰিছে বিজেপিয়ে। বাতৰি অনুসৰি, বিগত ছয়বছৰত গুগলৰ ৰাজনৈতিক বিজ্ঞাপনৰ নামত ব্যয় হোৱা সৰ্বমুঠ ধনৰ পৰিমাম হৈছে ৩৯০ কোটি টকা। আনহাতে ইয়াৰে ২৬ শতাংশ অৰ্থাৎ ১০১ কোটি টকা ব্যয় কৰিছে কেৱল বিজেপিয়ে। মন কৰিবলগীয়া যে, গুগলৰ ক্ষেত্ৰত ‘ৰাজনৈতিক’ বিজ্ঞাপনৰ অৰ্থ কেৱল ৰাজনৈতিক দলৰ বিজ্ঞাপন নহয়। ৰাজনৈতিক বিজ্ঞাপনৰ তালিকাত সংবাদ মাধ্যম, চৰকাৰী প্ৰচাৰ বিভাগ, ৰাজনীতিবিদ আৰু অভিনেতাসকলৰ বিজ্ঞাপনও সন্নিবিষ্ট। গুগলৰ পৰিসংখ্যা অনুসৰি ছবছৰত ২ লাখ ১৭ হাজাৰ ৯৯২টা ‘ৰাজনৈতিক বিজ্ঞাপন’ দিয়া হৈছে। তাৰ ভিতৰত ১ লাখ ৬১ হাজাৰ বিজ্ঞাপন বিজেপিৰ। ইয়াৰ ভিতৰত দলটোৰ সৰ্বাধিক বিজ্ঞাপন আছিল কৰ্ণাটকৰ বাসিন্দাক লক্ষ্য কৰি। কৰ্ণাটকৰ বাসিন্দাসকলৰ বাবে গুগলত ১ কোটি ৮ লাখ টকাৰ বিজ্ঞাপন প্ৰকাশ পাইছিল। ইয়াৰ পিছতে আছে উত্তৰ প্ৰদেশ। ১০ কোটি ৩০ লাখ বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল তাত থকা বাসিন্দা সকলৰ বাবে। ইয়াৰ পিছতে ৰাজস্থানৰ বাবে ৮.৫ কোটি টকা আৰু দিল্লীৰ বাবে ৭.৬ কোটি টকা ব্যয় কৰা হৈছিল। দৰাচলতে গুগলত সৰ্বাধিক ৰাজনৈতিক বিজ্ঞাপন তামিলনাডুত আছে। ইয়াৰ পিছতে আছে তেলেংগানা, উত্তৰ প্ৰদেশ, কৰ্ণাটক, মধ্যপ্ৰদেশ। গুগলত ‘ৰাজনৈতিক’ বিজ্ঞাপন দিয়াৰ ক্ষেত্ৰত বিজেপিৰ পিছতে দ্বিতীয় স্থানত আছে কংগ্ৰেছ। ছবছৰত ৪৫ কোটি টকাৰ বিজ্ঞাপন দিছে দেশৰ প্ৰধান বিৰোধী দলটোৱে। এই সময়ছোৱাত কংগ্ৰেছে মুঠ ৫,৯৯২টা বিজ্ঞাপন দিছে। তেওঁলোকৰ লক্ষ্য আছিল মূলতঃ কৰ্ণাটক আৰু তেলেংগানা। ৰাজ্য দুখনৰ বাসিন্দাৰ বাবে কংগ্ৰেছে ব্যয় কৰিছে ৯.৬ কোটি টকা। মধ্যপ্ৰদেশৰ বাবে ব্যয় কৰা হৈছে ৬.৩ কোটি টকা। ইফালে গুগলত ‘ৰাজনৈতিক বিজ্ঞাপন’ৰ ক্ষেত্ৰত তৃতীয় স্থানত আছে ডি এম কে। ২০১৮ চনৰ মে’ মাহৰ পৰা ডি এম কেয়ে গুগলত বিজ্ঞাপন দি ৪২ কোটি টকা খৰচ কৰিছে। তাৰ ভিতৰত ১৬.৬ কোটি টকা তেওঁলোকৰ ৰাজনৈতিক পৰামৰ্শদাতা প্ৰতিষ্ঠানে বিজ্ঞাপন দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিৰোধীৰ আশা নগাঁও

নগাঁও, নামনি অসমৰ দৰং-ওদালগুৰি, পাহাৰীয়া ডিফু, বৰাক উপত্যকাৰ কৰিমগঞ্জ আৰু শিলচৰ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হৈ যায়। ৫ সমষ্টিৰ মুঠ ৯,১৩৩টা ভোটকেন্দ্ৰত নিৰ্বাচনী আয়োগে ভোটগ্ৰহণ সম্পন্ন কৰে। প্ৰতিটো ভোটকেন্দ্ৰত নিৰাপত্তাৰ ব্যৱস্থা কৰে প্ৰশাসনে। আজি পুৱাৰে পৰা ভোটাৰসকলে ভোটকেন্দ্ৰলৈ ওলাই আহে। ঘণ্টাৰ পাছত ঘণ্টা ধৰি শাৰী পাতি ভোট দি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। ৫ সমষ্টিৰ কেইটামান ভোটকেন্দ্ৰত ইভিএমৰ বিজুতিৰ বাবে পলমকৈ ভোট অনুষ্ঠিত হয়। বৰাক উপত্যকাৰ হাইলাকান্দিৰ এটা ভোটকেন্দ্ৰত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ভোটাৰে শাৰী পাতি থকাৰ সময়তে পোলিং আৰু প্ৰিজাইডিং বিষয়াই ভোটদান বন্ধ কৰি দিয়ে। কেন্দ্ৰটোত ইভিএম বিজুতিৰ বাবে বহু পলমকৈ ভোটদান অনুষ্ঠিত হৈছিল। সেয়েহে ৰাইজে কিছু সময় বিচাৰিছিল। কিন্তু দায়িত্ব থকা বিষয়াই ৰাইজক সময় নিদিলে। সামগ্ৰিকভাবে ৰাজ্যৰ ৫ সমষ্টিত ভোটদান শান্তিপূৰ্ণভাবে অনুষ্ঠিত হৈ যায়। এই ৫ সমষ্টি শাসকীয় দলৰ বাবে আত্মসন্মান ৰক্ষাৰ যুঁজ হৈ পৰিছে। কিয়নো দৰং-ওদালগুৰি সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই। যাৰ বাবে দিলীপ শইকীয়াৰ জয়ী কৰিবলৈ খোদ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দিন-ৰাতি একাকাৰ কৰিবলগীয়া হৈছে। কিন্তু দৰং-ওদালগুৰি সমষ্টিৰ প্ৰতিচ্ছবি এইবেলি ধূসৰ হৈ পৰিছে। বিপিএফে প্ৰাৰ্থী ঘোষণা কৰাত বড়ো ভোটৰ বিভাজন ঘটিলে দিলীপ শইকীয়াৰ বাবে এই ৰণ জিকাটো অসম্ভৱ হৈ পৰিব। ইপিনে ওদালগুৰি সমষ্টিৰ খ্ৰীষ্টান ভোটাৰে বিপিএফক সমৰ্থন কৰাৰ পৰিৱেশ দেখা গৈছে। যদি তেনেই হয় তেন্তে বিজেপিৰ প্ৰাৰ্থী দিলীপ শইকীয়াৰ বাবে এইবাৰ পৃষ্ঠভূমি সহজ হৈ থকা নাই। মাজে মাজে কংগ্ৰেছ ওলাই যাব পাৰে বুলিও চৰ্চা চলিছে। কিয়নো দৰং-ওদালগুৰি সমষ্টিত কংগ্ৰেছৰ পকেট ভোট আছে প্ৰায় ১৮ শতাংশ। বিজেপিয়ে আশা কৰিছে বড়ো জনগোষ্ঠীৰ ভোটক। যদি বড়ো ভোট বিজেপি আৰু বিপিএফৰ মাজত ভাগ ভাগ হয় তেন্তে অংক সলনি হ'ব পাৰে বুলি ৰাজনীতিৰ বিশেষজ্ঞসকলে অনুমান কৰিছে। ইপিনে কংগ্ৰেছৰ পৰা নতুনকৈ দাদা ব্ৰিগেডৰ সদস্য হোৱা নগাঁৰৰ বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰা জয়ী হোৱাটো হিমন্ত বিশ্ব শৰ্মাৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। বিজেপিৰ জ্যেষ্ঠ নেতাক বঞ্চিত কৰি ন-বিজেপি সুৰেশ বৰাক টিকট প্ৰদান কৰা হৈছিল। যদি নগাঁও সমষ্টিত সুৰেশ বৰা হাৰি যায় তেন্তে হিমন্ত বিশ্ব শৰ্মাৰ বিজেপিৰ ভিতৰত চলা প্ৰভাৱত প্ৰভাৱ পৰিব। যিহেতু সমষ্টিটোত সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব এই ক্ষেত্ৰত কংগ্ৰেছৰ স্থিতি মজবুত বুলি চৰ্চা চলিছে। সংখ্যালঘু ভোটাৰে বিজেপি প্ৰাৰ্থীগৰাকীক সমৰ্থন কৰা পৰিলক্ষিত হোৱা বিষয়টোৱে চিন্তাজনক। বিজেপিৰ নেতাসকলে মিঞা শব্দ ব্যৱহাৰ কৰি অট্টহাস্য কৰি আছিল। তথাপিও নগাঁও সমষ্টিত বহু সংখ্যালঘু এলেকাত বিজেপিৰ সমৰ্থনত মানুহ ওলাই অহা পৰিলক্ষিত হৈছিল। কিন্তু শেষ মুহূৰ্তলৈকে সংখ্যালঘু ভোটাৰসকল বিজেপিৰ সৈতে থাকিব নে নাই সেয়া কোৱাটো সমীচিন নহয়। নগাঁৰৰ ইউডিএফৰ প্ৰাৰ্থীগৰাকীয়ে কংগ্ৰেছৰ ভোট বিভাজন কৰাৰ সম্ভাৱনা আছে। যদিও প্ৰাৰ্থী হিচাপে কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে সমষ্টিটোত এখোজ আগবাঢ়ি থকা বুলি ৰাজনীতিৰ খবৰ ৰখা মহলে ক'ব খোজে। ইফালে কৰিমগঞ্জ সমষ্টিত ৰাজ্যখনৰ ভিতৰতে জ্যেষ্ঠ আইনবিদ হাফিজ ৰশ্বিদ আহমেদ চৌধুৰীয়ে বিজেপিৰ অংকত খেলি-মেলি লগাইছে। একালৰ বদৰুদ্দিন আজমলৰ ঘনিষ্ঠ চৌধুৰী সংখ্যালঘূৰ মাজত প্ৰভাৱ থকা নেতা। নিৰ্বাচনী প্ৰচাৰত চৌধুৰী আগবাঢ়ি আছিল। কিন্তু ভোটৰ অংকত আগবাঢ়িব নে নাই সেয়া ক'ব পৰা নাযায়। ডিফু সমষ্টিক লৈ বিজেপিত দেখা গৈছে উৎসাহ। উল্লেখ্য যে, ৫ সমষ্টিৰ ভোটাৰৰ সংখ্যা হৈছে ৭৭,২৬,৬৬৮ গৰাকী। পুৰুষ ৮,৯২,৭৮৯ গৰাকী আৰু মহিলা ৪,৪৫,০৮৪ গৰাকী। ৫ সমষ্টিত মুঠ ৬১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য ইভিএমত বন্দী হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহাৰত নিৰ্বাচন খেলিব নৱ

জনজাতিৰ প্ৰমাণ পত্ৰক লৈ বিতৰ্কক আৱৰ্তত সোমাই পৰা কোকৰাঝাৰ লোকসভা সমষ্টিৰ বৰ্তমানৰ সাংসদ নৱ কুমাৰ শৰণীয়ায়ো আজি তামুলপুৰত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। ভোট দি উঠি শৰণীয়াই কয় যে গণতন্ত্ৰক শক্তিশালী কৰাৰ স্বাৰ্থত সকলোৱে ভোটাধিকাৰ সাব্যস্ত কৰিব লাগে। ইফালে, সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত নৱ কুমাৰ শৰণীয়াই এক বিশেষ ঘোষণা কৰে। কোকৰাঝাৰ সমষ্টিত মনোনয়ন বাতিল হোৱাক লৈ চৰকাৰৰ ষড়যন্ত্ৰৰ বলি হোৱা বুলি দাবী কৰি শৰণীয়াই গণ সুৰক্ষা পাৰ্টী জিএছপিৰ হৈ এইবাৰ বিহাৰৰ পৰা নিৰ্বাচন খেলিব বুলি জনায়। শৰণীয়াই কয় যে কোকৰাঝাৰত তৃতীয় পৰ্যায়ৰ নিৰ্বাচন শেষ হোৱাৰ লগে লগে তেওঁ বিহাৰৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব আৰু নিৰ্বাচনী প্ৰচাৰত নামি পৰিব। 'আমি যুদ্ধ কৰা মানুহ। বিহাৰত আমাক বিচৰা মানুহ বহুত আছে। আমাৰ এই এছচি-এছটি তথা পিছপৰা কমিউনিটিৰ বহুত মানুহ আছে। জয়-পৰাজয় পিছৰ কথা। কিন্তু আমি যুঁজি যাম।'- শৰণীয়াই কয়। কোকৰাঝাৰ লোকসভা সমষ্টিত গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী বিনিতা ডেকাই বিপুল ভোট জয়ী হ'ব বুলিও আশা প্ৰকাশ কৰে সাংসদগৰাকীয়ে। আনহাতে আজি পুৱাই বিটিআৰৰ মুখ্য কাৰ্য্যবাহী প্ৰমোদ বড়োৱে স-পত্নীৰে সৌৰাগুৰি প্ৰাথমিক বিদ্যালয়ত ভোটাধিকাৰ সাব্যস্ত কৰি দৰং-ওদালগুৰিত মিত্ৰজোঁট প্ৰাৰ্থীগৰাকীৰ ভাল ফলাফল হ'ব বুলি দাবী কৰে। প্ৰমোদ বড়োৱে কয় যে বিগত ১০ বছৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কামৰ মাজেৰে ৰাইজৰ মন জয় কৰিব পাৰিছে। সেই কাৰণে এই নিৰ্বাচন একপক্ষীয় নিৰ্বাচন। ইয়াত কোনো প্ৰতিদ্বন্দ্বিতা নাই। আমাৰ ভাল ফলাফল হ'ব। ইয়াত কোনো বিৰোধী নাই। কোনোৱে প্ৰচাৰ চলাবলৈ অহা নাই। কোকৰাঝাৰ লোকসভা সমষ্টিটোত আমাৰ ফলাফল ভাল হ'ব বুলিও মন্তব্য বিটিআৰ প্ৰধানগৰাকীৰ। তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়েও পাকৰিবাৰী ভোটকেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে।

# নগাঁৱৰ গ্ৰামাঞ্চলত কণীযুক্ত মাছৰ অবাধ বেহা

**জয়ন্ত মুদৈ, বেবেজীয়া, ২৬ এপ্ৰিলঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলত বৰ্তমান মীন বিভাগৰ চূড়ান্ত অৱহেলা আৰু অকৰ্মণ্যতাৰ পূৰ্ণ সুযোগ গ্ৰহন কৰি এচাম অসাধু ব্যৱসায়ীয়ে ব্যাপক হাৰত পোণা মাছৰ লগতে কণীযুক্ত মাছৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা পৰিলক্ষিত হৈছে । প্ৰাপ্ত খবৰ মতে, জিলাখনৰ বেবেজীয়া, দক্ষিণপাট, বৰক'লা, ঘাঁহী, ম'হমৰীয়া, পেটবহা, ফুলগুৰি, ডিমৌ, হাতীচোং, জামুগুৰি, জাজৰি, দলংঘাট, ভালুকমাৰী, চকলাঘাট, কাছমাৰী,ৰাইদঙীয়া, বটদ্ৰৱা, শান্তিজান, টুকটুকী, বৰিবজাৰ, কুঁজি আদি অঞ্চলৰ বজাৰত এতিয়া নিৰ্বিঘ্নে অব্যাহত আছে পোণা আৰু কণীযুক্ত মাছৰ বেহা । কাজেই, থলুৱা মাছৰ সংৰক্ষণৰ প্ৰতি ভাৰতীয় মীন আইনে প্ৰৱৰ্তন কৰা কঠোৰ আইনক উপলুঙা কৰি অসাধু ব্যৱসায়ী চক্ৰই এনেদৰে নিতৌ নানা বিৰল প্ৰজাতিৰ থলুৱা কণীলগা মাছবোৰ বিক্ৰী কৰি অহাত এনে বহু প্ৰজাতিৰ থলুৱা মাছ সম্প্ৰতি বিলুপ্তিৰ পথত আগবাঢ়িছে । তৎসত্ত্বেও মীন বিভাগে এনে অনিয়ম দেখি-শুনিও নিৰবে হাট সাৰটি থকাত জিলাখনৰ সচেতন মহলে গভীৰ খেদ প্ৰকাশ কৰিছে । বৰ্তমান অসাধু মৎস্য ব্যৱসায়ী চক্ৰটোয়ে সম্পূৰ্ণ মইমতালিৰে বিভিন্ন স্থানত থকা নদ-নদী, জলাশয়, খাল-বিল, পুখুৰী আদিৰ পৰা থলুৱা বিৰল প্ৰজাতিৰ কণীযুক্ত মাছ ধৰি নিৰ্ভয়ে বিক্ৰী কৰি থলুৱা প্ৰজাতিৰ মাছৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিছে । স্মৰ্তব্য যে, ভাৰতীয় মীন আইন ১৯৯৭ ৰ সংশোধনী ধাৰা মতে বছৰৰ পহিলা এপ্ৰিলৰ পৰা জুন মাহৰ পোন্ধৰ তাৰিখলৈকে এই সময়ছোৱাত ৰাজ্যৰ সকলো পানী থকা ঠাইত আঢ়ৈ ইঞ্চিতকৈ সৰু ফুটাযুক্ত সকলো ধৰণৰ জালেৰে মাছ ধৰা আৰু এনেবোৰ জাল বিক্ৰী কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ । কিন্তু চৰম আশ্চৰ্যজনকভাৱে নগাঁৱৰ পশ্চিমাঞ্চলত এনে নিষেধাজ্ঞা মানি চলা নাই মৎস্য ব্যৱসায়ীসকলে । ফলস্বৰূপে জিলাখনৰ সকলোবোৰ হাট-বজাৰ তথা ব্যৱসায়িক স্থানত সম্প্ৰতি ৰৌ, বৰালি, কাৱৈ, গৰৈ, পুঠি, মিৰিকা,তুৰা, খলিহনা, কুঁহি আদিকে ধৰি বহু প্ৰজাতিৰ থলুৱা কণীযুক্ত মাছবোৰ সুলভ হৈ পৰিছে । সেয়ে এনে অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহনৰ দাবী জনাইছে নগৱঞা সচেতন মহলে ।




একেলগে ভোটদান পীযুষ-আইমীৰ

# নগাঁৱত ভোট দিবলৈ আহি গম পালে নিজৰ মৃত্যুৰ খবৰ!

## জীৱিত ৩০ ভোটাৰ মৃত ভোটাৰ তালিকাত

**ই-সংবাদ, বেবেজীয়া, ২৬ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ আজি দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণৰ দিনটোত নগাঁও জিলাৰ জুৰীয়াত সংঘটিত হয় এক আজৱ ঘটনা। জীৱিত ৩০ জনকৈ ভোটাৰ মৃত হৈ আহিল ভোটাৰ তালিকাত। আচলতে, জুৰীয়াৰ কদমণি পথাৰ আৰু নিজ জুৰীয়া গাঁৱৰ এই ৩০ জন লোকে পুৱা ভোট দিবলৈ আহি ভোটকেন্দ্ৰত থকা ভোটাৰ তালিকাত দেখি স্তম্ভিত হৈ পৰে। কিয়নো ভোটাৰ তালিকাত তেওঁলোকক মৃত বুলি স্পষ্টকৈ উল্লেখ কৰা আছে। লগে লগে এক হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। ফলত ভোটাৰ তালিকাত মৃত বুলি উল্লেখ থকাৰ বাবেই এই লোকসকলে ভোটদান কৰাৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাত ঘৰলৈ ভোট নিদিয়াকৈ ঘুৰি আহিবলগীয়া হয়। ইফালে, এই সমগ্ৰ ঘটনা সন্দৰ্ভত গাওঁ দুখনৰ দুজন লোকে আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে। জানিব পৰা মতে, ভোটদানৰ পৰা দুৰ্ভাগ্যজনকভাৱে বঞ্চিত হোৱাৰ ন্যায় বিচাৰি এই দুজন লোকে জুৰীয়া আৰক্ষী থানাত বগৰীগুৰী গাওঁ পঞ্চায়তৰ ৮ নং ৱাৰ্ডৰ বি এল অ'ৰ বিৰুদ্ধে গোচৰ তৰিছে। এজাহাৰখনত বি এল অ' গৰাকীৰ ভুলৰ বাবেই ভোটধিকাৰৰ পৰা বঞ্চিত হ'বলগীয়া বুলি উল্লেখ কৰা হৈছে। পিছে কথা হ'ল কাৰ ষড়যন্ত্ৰৰ বলি হ'ল এই লোকসকল? কাৰ ভুলৰ বাবে এই লোকসকলে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহিও সেই অধিকাৰৰ পৰা বঞ্চিত হ'বলগীয়া হ'ল? ইয়াকে লৈ এতিয়া বেছ চৰ্চা চলিছে ৰাইজৰ মাজত।



মাজত মীৰা, দুফালে দুই গগৈঃ গুৱাহাটী সমষ্টিত জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ

## বৰপেটাত সম্বোধন কৰিব নিৰ্বাচনী প্ৰচাৰ সভা

# আজি অসমলৈ আহিব ৰাষ্ট্ৰীয় কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে

ই-সংবাদ, ২৬ এপ্ৰিলঃ নিৰ্বাচনী প্ৰচাৰৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ তথা ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গে কাইলৈ অসমত আহি উপস্থিত হ'ব। অসম প্ৰদেশ কংগ্ৰেছৰ সূত্ৰই সদৰী কৰা মতে বিশেষ বিমানযোগে দিনৰ ১১-৩০ বজাত গুৱাহাটী বিমান বন্দৰত উপস্থিত হ'ব কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষগৰাকী। ইয়াৰ পিছতে মহানগৰীৰ কিৰণশ্ৰী হোটেলত দিনৰ ১২ বজাৰ পৰা ১ বজালৈ এখন সংবাদমেল সম্বোধন কৰিব কংগ্ৰেছৰ অধ্যক্ষগৰাকীয়ে। সংবাদমেল শেষ কৰি দিনৰ ২ বজাত হেলিকপ্টাৰযোগে বৰপেটালৈ ৰাওনা হ'ব আৰু তাতে এখন নিৰ্বাচনী সভা সম্বোধন কৰিব। পুনৰ বিয়লি ৪ বজাত গুৱাহাটীলৈ আহি বিশেষ বিমানযোগে দিল্লীলৈ উৰা মাৰিব খাৰ্গেই। উল্লেখ্য যে বৰপেটাত কংগ্ৰেছ দলৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছে দ্বীপ বায়ন।

## ভোটদানক লৈ আদিবাসী ৰাইজক বিশেষ আহ্বান

# ১৫টা আদিবাসী সংগঠনৰ পূৰ্ণ সমৰ্থন এনডিএ-ৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক

**ই-সংবাদ, কোকৰাঝাৰ, ২৬ এপ্ৰিলঃ** তৃতীয় পৰ্যায়ত অৰ্থাৎ অহা ৭ মেত অনুষ্ঠিত হ'বলগীয়া কোকৰাঝাৰ লোকসভা সমষ্টিৰ নিৰ্বাচনত সমষ্টিটোৰ এনডিএ'ৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক পূৰ্ণ সমৰ্থন আগবঢ়াইছে আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ লগতে আদিবাসী জনগোষ্ঠীৰ ১৪ টাকৈ সংগঠনে। আজি বিয়লি কোকৰাঝাৰত আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদসহ ১৪ টা আদিবাসী সংগঠনৰ মাজত অনুষ্ঠিত হোৱা বৈঠকত কোকৰাঝাৰ লোকসভা সমষ্টিৰ এনডিএ প্ৰাৰ্থীক পূৰ্ণ সমৰ্থন জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে বৈঠকৰ অন্তত এক সংবাদমেল সম্বোধন কৰি উক্ত সিদ্ধান্তৰ বিষয়ে সদৰী কৰি আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ অধ্যক্ষ অসীম হাছদাই উল্লেখ কৰা মতে আদিবাসী জনগোষ্ঠীৰ বিভিন্ন জাতীয় সমস্যা সমূহ সমাধান কৰিবলৈ হলে আমি এনডিএ চৰকাৰৰ সতে থাকিব লাগিব। আদিবাসী জনগোষ্ঠীৰ এই জাতীয় সমস্যা সমাধানৰ প্ৰতি লক্ষ্য ৰাখিয়ে এই সিদ্ধান্ত লোৱা হৈছে বুলি মন্তব্য কৰে আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ অধ্যক্ষ অসীম হাছদাই।কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত সমূহ আদিবাসী ভোটাৰ ৰাইজক এনডিএৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ সপক্ষে ভোট প্ৰদান কৰিবলৈও আহ্বান জনাইছে অসীম হাছদাই । তদুপৰি এনডিএ প্ৰাৰ্থী গৰাকীক বিপুল সংখ্যক ভোটত জয়যুক্ত কৰাৰ বাবে আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ লগতে ১৪ আদিবাসী সংগঠনে আজিৰ পৰাই কামত লাগি যাব বুলিও মন্তব্য কৰিছে অসীম হাছদাই। আজিৰ সভাত আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ উপাধ্যক্ষ সুভাষ তিৰ্কী ওৰফে বীৰসিং মুণ্ডা, আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ ৯ গৰাকীকৈ পাৰিষদ, আকমা, আপা, বিচিএফ, এচটিএফ, আনলা, এডিএফকে ধৰি জনগোষ্ঠীটোৰ বিভিন্ন ছাত্ৰ সংগঠনৰ নেতৃবৰ্গ উপস্থিত থাকে। তদুপৰি চান্দামাৰীত অনুষ্ঠিত হোৱা সভাখনত কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য উইলচন হাসদাও উপস্থিত আছিল।




ৰকিবুল হুছেইনৰ হৈ ধুবুৰীত দিনে-ৰাতিয়ে অখিল গগৈৰ নিৰ্বাচনী প্ৰচাৰ

# ঘৰুৱা হিংসাৰ ভয়ংকৰ ৰূপ, তেজপুৰত পত্নীক দুছেও স্বামীৰ

**ই-সংবাদ, তেজপুৰ, ২৬ এপ্ৰিলঃ** ৰাজ্যত ক্ৰমাৎ বৃদ্ধি পাবলৈ লৈছে ঘৰুৱা হিংসা। এইবাৰ শোণিতপুৰ জিলাৰ তেজপুৰৰ চামধৰাত সংঘটিত হৈছে এক নৃশংস হত্যাকাণ্ড। জানিব পৰা মতে আন পুৰুষৰ সৈতে ফোনত কথা-বতৰা পতাৰ সন্দেহতে ইন্দ্ৰজিত ঘোষ নামৰ এজন লোকে দাৰে ঘপিয়াই পত্নীক হত্যা কৰে। স্বামীৰ দাৰ ঘাপত নিহত হোৱা মহিলাগৰাকীৰ নাম শান্তি ঘোষ। পাৰিবাৰিক কন্দলৰ পৰিণতিতে এই নৃশংস হত্যাকাণ্ড সংঘটিত হোৱা বুলি ওচৰ-চুবুৰীয়াসকলে অনুমান কৰিছে। আৰক্ষীৰ ওচৰত হত্যাকাৰীয়ে জমা দিয়ে হত্যাকাণ্ডত ব্যৱহৃত দা। পৰ পুৰুষৰ সৈতে অবৈধ সম্পৰ্ক ৰক্ষা কৰাৰ অভিযোগতে পত্নীক অতি নৃশংসভাৱে হত্যা কৰে লোকজনে। পেছাত মিস্ত্ৰীৰ যোগালী ইন্দ্ৰজিত ঘোষে হত্যাকাণ্ড সংঘটিত কৰাৰ পিছতে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। সংবাদ মাধ্যমৰ আগত হত্যাকাৰী ইন্দ্ৰিজিতে কয়, 'তাই বেলেগক মেছেজ কৰে, বেলেগৰ সৈতে প্ৰেম আছে, সেয়ে মাৰি দিলো দাৰে।'

# কাঠফুলা খাই একে পৰিয়ালৰ ৫ সদস্য অসুস্থ

**ই-সংবাদ, ২৬ এপ্ৰিলঃ** দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ মাজতে আজি ৰাজ্যখনত ভয়ংকৰ কাণ্ড সংঘটিত হৈছে। জংঘলৰ পৰা অনা কাঠফুলা খাই একেটা পৰিয়ালৰ ৫গৰাকী লোক গুৰুতৰভাৱে অসুস্থ হৈ পৰে। চৰাইদেউত এনে ভয়ংকৰ কাণ্ড সংঘটিত হৈছে। সাপেখাতীত জংঘলৰ পৰা বুটলি অনা বিষাক্ত কাঠফুলা খাই ৫জনকৈ লোক গুৰুতৰভাৱে অসুস্থ হয়। সাপেখাতী উজনিকুৰী গাঁৱৰ দিপা মূড়াৰ পৰিয়ালে জংঘলৰ পৰা বুটলি আনিছিল কাঠফুলা। সেই কাঠফুলাৰে আঞ্জা বনাই পুৱাই ভাতসাজ খাইছিল। ভাত খোৱাৰ পাছতে দিপা মূড়াৰ লগতে ভদ্ৰেশ্বৰ মূড়া, নিজৰা মুড়া, দিপাঞ্জলী মূড়া আৰু এটা কোলাৰ কেঁচুৱা গুৰুতৰভাৱে অসুস্থ হৈ পৰে। বিষাক্ত কাঠফুলা ভক্ষণ কৰাত পৰিয়ালৰ সদস্যসকল অসুস্থ হৈ পৰাত ওচৰ-চুবুৰীয়াই আটাইকেইজনক সাপেখাতী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰে। কিন্তু স্বাস্থ্যৰ অৱস্থা জটিল হোৱাত উন্নত চিকিৎসাৰ বাবে আটাইকেইজনক ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

# মৰিগাঁৱত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন

**ই-সংবাদ, মৰিগাঁও, ২৬ এপ্ৰিলঃ** ৯নং নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও নিৰ্বাচনী জিলাত দুই এটা বিক্ষিপ্ত ঘটনাক বাদ দি সামগ্ৰীকভাৱে শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হয়। সন্ধিয়া ৫ বজালৈকে লাভ কৰা তথ্য অনুসৰি মৰিগাঁও নিৰ্বাচন জিলাৰ ৫২ নং জাগীৰোড বিধানসভা সমষ্টিত ৭৯.৬০ শতাংশ, ৫৩ নং লাহৰীঘাট বিধানসভা সমষ্টিত ৬৩.৭৮ শতাংশ আৰু ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিত ৭৬.৬৯ শতাংশ ভোটগ্ৰহণ হৈছে। কেৱল মহিলাৰ দ্বাৰা পৰিচালিত ৪৭নং মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰৰ ভোটগ্ৰহণকাৰী দলটো ভোটগ্ৰহণ সম্পূৰ্ণ কৰি উভতি অহা প্ৰথমটো দল হিচাপে মৰিগাঁও জিলা প্ৰশাসনে মৰিগাঁও চহৰৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেলপথাৰত আদৰণি জনায়। ভোটগ্ৰহণকাৰী দলটোক জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই গামোচা পিন্ধাই আদৰণি জনোৱাৰ লগতে সাংস্কৃতিক অনুষ্ঠানেৰে এটা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰা পৰিলক্ষিত হয়।



## আশাবাদী বিপিএফ, বিজেপি-কংগ্ৰেছৰ পোনপটীয়া যুঁজৰ আশংকা

# দৰং-ওদালগুৰিত শান্তিপূৰ্ণ পৰিৱেশৰ মাজেৰে ভোটদান সম্পন্ন

**ই-সংবাদ, ওদালগুৰি, ২৬ এপ্ৰিলঃ** শান্তিপূৰ্ণ পৰিৱেশৰ মাজেৰে সামৰণি পৰিল দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা ৪ নম্বৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া। চাৰিখন জিলাৰ ১১ টাকৈ বিধানসভা সমষ্টিক সামৰি অনুষ্ঠিত হোৱা এই ভোটগ্ৰহণ প্ৰক্ৰিয়াত ৰাইজৰ ইতিবাচক সহাৰি পৰিলক্ষিত হয়। প্ৰচণ্ড ৰ'দ গৰমক নেওচি ভোটকেন্দ্ৰসমূহত পুৱাৰ পৰাই দীঘলীয়া শাৰী দেখা যায়। ৪ নম্বৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিত সন্ধিয়া ৫ বজালৈ ভোটদানৰ হাৰ হৈছে ৭২.৯৯ শতাংশ। এই ভোটদানৰ হাৰ কিছু পৰিমাণে বৃদ্ধি পাব। অৱশ্যে দুই-এক ভোটগ্ৰহণ কেন্দ্ৰত ইভিএম, ভিভিপেটৰ সমস্যাই দেখা দিয়াত কিছুসময়ৰ বাবে ভোটদান কাৰ্য ব্যাহত হৈ পৰা খবৰ লাভ কৰা যায়। আজি পুৱাতেই ওদালগুৰিৰ কাহিবাৰী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰীয়ে। তেখেতে দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিপিএফ দলৰ প্ৰাৰ্থী দুৰ্গাদাস বড়ো জয়ী হোৱাৰ দাবী কৰে। একেদৰে পুৱাৰ ভাগতেই ওদালগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত গুমগাওঁ প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে ওদালগুৰিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে। সাংবাদিকৰ সন্মুখত তেখেতে সমষ্টিটোৰ বিজেপি-ইউপিপিএল-অগপ মিত্ৰজোটৰ প্ৰাৰ্থী দিলীপ শইকীয়া বিপুল ভোটৰ ব্যৱধানত জয়ী হব বুলি উল্লেখ কৰি নিৰ্বাচনত ৰাইজৰ স্বতঃস্ফুত সহাৰি দেখি ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পাছত ওদালগুৰি জিলাৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ ভ্ৰমণ কৰে বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী দিলীপ শইকীয়াই। কেইৰাটাও ভোটগ্ৰহণ কেন্দ্ৰত ৰাইজৰ দীঘলীয়া শাৰী প্ৰত্যক্ষ কৰি সাংবাদিকৰ আগত কয় যে, "ৰাইজৰ সহাৰি দেখি অনুমান কৰিব পাৰিছো যে ৰাইজে উন্নয়ণৰ সপক্ষে ভোটদান দিছে। আশা কৰিছো ভোটদানৰ ৭০ শতাংশ ভোট বিজেপিয়ে লাভ কৰাৰ পৰিৱৰ্তী ৩০ শতাংশ ভোট আন বিৰোধী প্ৰাৰ্থীসকলে লাভ কৰিব। বিপিএফ দলে বিটিআৰৰ ভিতৰৰ ছয়টাকৈ সমষ্টিত প্ৰায় ৯০ হাজাৰমান ভোট লাভ কৰাৰ বিপৰীতে বিটিআৰৰ বাহিৰত মাত্ৰ ৩০-৪০ হাজাৰ ভোটহে লাভ কৰিব। অৰ্থাৎ বিপিএফৰ দুৰ্গাদাস বড়োৱে ১.৩০ লাখতকৈ অধিক ভোট নাপায়।" সমান্তৰালভাৱে সমষ্টিটোত কংগ্ৰেছ দলে ৩-৩.৫ লাখ ভোট লাভ কৰিব পাৰিব বুলি শইকীয়াই উল্লেখ কৰে। ইফালে ওদালগুৰি জিলাৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ ভ্ৰমণ কৰি বিপিএফৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৱে কয়, "সমষ্টি পুনঃ নিৰ্দ্ধাৰণৰ পাছত বিজেপি কৰ্মীসকল নাৰ্ভাছ হৈছে। দিলীপ শইকীয়াৰ ক্ষেত্ৰত যথেষ্ট প্ৰতিষ্ঠন বিৰোধী ঢৌ আছে। যিসকল নেতাই দিলীপ শইকীয়াৰ হৈ ভোট ভিক্ষা কৰিবলৈ আহিছে তেওঁলোকে কেৱল দলৰ হৈ ভোট ভিক্ষা কৰিছে। দিলীপ শইকীয়াৰ নাম লৈ প্ৰচাৰ কৰিব পৰা নাই। যাৰ ফলত এই সমষ্টিটোত আশা কৰাতকৈ অধিক ভোটত বিপিএফ দলৰ প্ৰাৰ্থীগৰাকী জয়ী হবলৈ সক্ষম হ'ব। বিজেপি দলে নিৰ্বাচনত যি কূটনীতি কৰিব বিচাৰিছে সেয়া ধৰাত পৰিছে।" আজি নিৰ্বাচনৰ দিনটোত কলাইগাওঁৰ ১ নম্বৰ লাচিত প্ৰাথমিক বিদ্যালয় ভোটকেন্দ্ৰত সমীপৰ এটা ঘৰত ধনবলৰ প্ৰলোভন দি ভোট আদায় কৰাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰে বড়োৱে। যিহেতু এইবাৰ এআইইউডিএফৰ দলগাওঁ সমষ্টিৰ বিধায়ক গৰাকীয়ে বিপিএফক সমৰ্থন দিয়ালৈ লক্ষ্য কৰিলে এইবাৰ বিপিএফ দলটোৱে যথেষ্ট সংখ্যালঘু ভোট লাভ কৰিম বুলি আশা কৰি এইবাৰ বিপিএফৰ হৈ তেৱেঁই শেষ হাঁহি মাৰিব বুলি মন্তব্য কৰে।

## বাসুগাঁৱত অৰুণোদই প্ৰ-পত্ৰ বিতৰণ বিজেপিৰ!

**ই-সংবাদ, চিৰাং, ২৬ এপ্ৰিলঃ** নিৰ্বাচনী আচৰণ বিধি উলংঘন কৰি চিৰাঙৰ বাসুগাঁও চহৰত বিজেপি কৰ্মীসকলে নিশাৰ এন্ধাৰত ভোটাৰ ৰাইজক প্ৰলোভন দি অৰুণোদই আঁচনিৰ প্ৰপত্ৰ বিলাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। শুকুৰবাৰে সন্ধিয়া ভাগত বাসুগাঁও চহৰৰ দুই ওৱাৰ্ডত বিজেপিৰ বুথ কমিটিৰ সভানেত্ৰী বেবী সাহাই মানুহৰ ঘৰে ঘৰে গৈ অৰুণোদই আঁচনিৰ প্ৰপত্ৰ বিলাই থকাৰ খবৰ লাভ কৰি বিপিএফ দলৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি শুদ্ধ বসুমতাৰী, কেন্দ্ৰীয় সমিতিৰ নেতা প্ৰদীপ দত্ত সহ বিপিএফ সমৰ্থক সকলে উপস্থিত হৈ বিজেপিৰ কৰ্মী গৰাকীক হাতেলোটে ধৰা পেলায়। বিপিএফ দলৰ নেতা কৰ্মীসকলে বিজেপিৰ মহিলা নেতাগৰাকীক বিভিন্ন প্ৰশ্নৰে ব্যতিব্যস্ত কৰি তোলে । ইয়াকে কেন্দ্ৰ কৰি এলেকাত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় । বিজেপি আৰু ইউপিপিএল দলৰ নেতা কৰ্মীসকলে ভোটাৰ ৰাইজক প্ৰলোভন দেখুওৱাই যি অৰুণোদই আঁচনিৰ যিবিলাক প্ৰপত্ৰ বিলাই আছে উক্ত প্ৰপত্ৰসমূহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু ইউপিপিএল দলৰ নিৰ্বাচনী প্ৰতীক চিহ্ন ট্ৰেক্টৰৰ ছবি আছে। যিটো নিৰ্বাচনী আচৰণ বিধি উলংঘন কৰা হৈছে বুলি বিপিএফ ফালৰ পৰা অভিযোগ উত্থাপন কৰে। সেই সময়ত ঘটনাস্থলীত আহি উপস্থিত হোৱা বিজেপিৰ নেতা কৰ্মীৰ মাজত দুই দলৰ নেতা কৰ্মীসকলৰ মাজত তীব্ৰ যুক্তি তৰ্ক আৰম্ভ হয়।



গণতন্ত্ৰৰ উৎসৱঃ ৰাজস্থানৰ মহিলাসকলে এনেদৰেই সাব্যস্ত কৰিলে ভোটাধিকাৰ

# টেঙানিত উদ্ধাৰ অচিনাক্ত মৃতদেহ

**ই-সংবাদ, সৰুপথাৰ, ২৬ এপ্ৰিলঃ** ধনশিৰি মহকুমাৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত টেঙানিৰ গৰমৰা টোপত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ধনশিৰি নৈত মৃতদেহটো ভাঁহি আহে। অঞ্চলটোৰ লোকে প্ৰত্যক্ষ কৰি বৰপথাৰ আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰিছে। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি মৃতদেহটো প্ৰায় চল্লিছৰ উৰ্ধৰ পুৰুষৰ। এই প্ৰতিবেদন যুগুত কৰালৈ মৃতদেহটো চিনাক্ত হোৱা নাই।

## ষ্টেশ্যনতে আৱদ্ধ শিলচৰ-কৰিমগঞ্জৰ বহু লোক, ক্ষোভ প্ৰকাশ

# হঠাৎ ৰে'ল বাতিল! ভোট দিয়া নহ'ল বৰাকৰ বহু ভোটাৰৰ

**ই-সংবাদ, ২৬ এপ্ৰিলঃ** ৰাজ্যৰ ৫ লোকসভা সমষ্টিত আজি শান্তিপূৰ্ণভাৱে ভোটদান অনুষ্ঠিত হয়। ৰাজ্য প্ৰশাসনে গঢ়ি তোলা কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে ৰাজ্যৰ দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত ৯,১৩৩টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হয়। কিন্তু বৰাক উপত্যকাৰ কৰিমগঞ্জ, শিলচৰ সমষ্টিৰ বহু ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰাৰ পৰা বঞ্চিত হয়। ৰে'ল দুৰ্ঘটনাৰ ফলত কৰিমগঞ্জ আৰু শিলচৰ সমষ্টিৰ বহু ভোটাৰ লামডিঙত আৱদ্ধ হ'বলগীয়া হয়। লামডিঙৰ পৰা একাংশ ভোটাৰক বাছেৰে নিয়াৰ ব্যৱস্থা কৰে যদিও ভোটদান কৰাৰ সুবিধা লাভ কৰা নাই বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, বৃহস্পতিবাৰে হাফলঙত এখন মালবাহী ৰে'ল লাইনচ্যুত হয়। ১২৫০৩ বাংগালুৰু-আগৰতলা এক্সপ্ৰেছ আৰু ১৫৬১১ ৰঙিয়া-শিলচৰ ৰে'লৰ লগতে বৰাক অভিমুখী কেইবাখনো যাত্ৰীবাহী ৰে'ল লামডিঙত আৱদ্ধ হয়। ৰে'লসমূহত থকা যাত্ৰীসকলো আৱদ্ধ হয়। দুয়োখন ৰে'লত শিলচৰ আৰু কৰিমগঞ্জ লোকসভা সমষ্টিৰ বহু সংখ্যক ভোটাৰ আছিল। বহু সংখ্যক ভোটাৰ ৰে'লপথত, বিশেষকৈ লামডিং ৰে'ল ষ্টেচনত আৱদ্ধ হয়। নিশাৰে পৰা যাত্ৰীবাহী ৰে'ল আৱদ্ধ হৈ পৰাৰ পাছতো ততাতৈয়াকৈ ভোটাৰসকলক গৃহ জিলালৈ নিয়াৰ ব্যৱস্থা নকৰিলে ৰে'ল বিভাগে। প্ৰায় ১৫ ঘণ্টাৰ অন্তত যাত্ৰীসকলক বাছেৰে নিয়াৰ ব্যৱস্থা কৰে ৰে'ল বিভাগে। যাত্ৰীসকলক বিনামূলীয়াকৈ বাছেৰে নিয়াৰ ব্যৱস্থা কৰে যদিও বহুতে ভোটদান কৰিব নাপালে। কিন্তু কিছু সংখ্যক যাত্ৰীয়ে লামডিং ষ্টেচনৰ পৰা বাহন ভাড়া কৰি বৰাক উপত্যকালৈ যাবৰ বাবে বাধ্য হয়। একাংশ যাত্ৰীয়ে ৰে'ল দুৰ্ঘটনাক লৈ সন্দেহ প্ৰকাশ কৰিছে। কিন্তু ৰে'ল বিভাগৰ গাফিলতিৰ বাবে ভোটদানৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ আনে একাংশ যাত্ৰীয়ে। গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা বুলিও কয়। লামডিং ৰে'ল ষ্টেচনত এগৰাকী বৃদ্ধই দুখ প্ৰকাশ কৰি কয় "মই হামছফৰ নামৰ ৰে'লখনত আহিছিলো। গাড়ী এক্সিডেণ্ট হোৱা বুলি শুনিছো। আমি ভোট দিব নোৱাৰিলো। ৰে'ল বিভাগৰ কোনো ব্যৱস্থা নাই। মোৰ ঘৰ হাইলাকান্দি জিলাত। মই লামডিঙত আৱদ্ধ হৈ আছো। মই কোনো কাৰণত ভোট দিব নোৱাৰিম। কিয়নো বদৰপুৰৰ পৰা মোৰ ঘৰ ৫০ কিলোমিটাৰ দূৰত। মোৰ লগত ৫০ জন মানুহ আহিছে।"

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# শেষ পৃষ্ঠা

## সা-সম্পত্তি ভস্মীভূত

# বৰপথাৰ নগৰত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, সৰুপথাৰ, ২৬ এপ্ৰিলঃ** ধনশিৰি মহকুমাৰ বৰপথাৰ নগৰৰ ১০নং ৱাৰ্ডত আজি দুপৰীয়া প্ৰায় ১১-৩০ বজাত সংঘটিত হয় বিধ্বংসী অগ্নিকাণ্ড। অগ্নিকাণ্ডৰ ফলত এটা পৰিয়াল সৰ্ব্বস্বান্ত হয়। জানিব পৰা মতে, আজি ৱাৰ্ডটোৰ ঝণ্টু পাল নামৰ লোকজনৰ পৰিয়ালটোৰ লোকসকল বিভিন্ন কামত ব্যস্ত থকাৰ সময়তে বাসগৃহত শব্দ ওলাই অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। লগে হুৱা-দুৱা লাগে। মুহূৰ্ততে সমগ্ৰ ঘৰটো ঘেৰি লয় জুইয়ে। অগ্নিকাণ্ডৰ ফলত পৰিয়ালটোৰ সকলো নথি, আ-অলংকাৰ, কাপোৰ, আচবাবসহ কেইবা লক্ষাধিক টকাৰ সম্পত্তি জুইত জাহ যায়। স্থানীয় লোকৰ সহযোগত জুই বহু পৰিমাণে নিয়ন্ত্ৰিত হয় যদিও পৰৱৰ্তী সময়ত অগ্নিনিৰ্বাপক বাহিনীয়ে সম্পূৰ্ণৰূপে অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। পৰিয়ালৰ লোকে প্ৰকাশ কৰা মতে বৈদ্যুতিক শ্বট চাৰ্কিটৰ ফলতেই আজিৰ দুৰ্ঘটনাটো সংঘটিত হয়।




কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে পঞ্জাৱ কিংছৰ জনী বেয়াৰষ্ট'ৰ বিস্ফোৰক বেটিং, কলাকাতাত শুকুৰবাৰে




# ৰামপুৰ ছলাপথাৰত কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**ই-সংবাদ, বেবেজীয়া, ২৬ এপ্ৰিলঃ** নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰামপুৰ ছলাপথাৰ জাতীয় বিদ্যালয় (ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল)ৰ উদ্যোগত বুধবাৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সভাখনিত সভাপতিত্ব কৰে ৰামপুৰ ছলাপথাৰ জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হবিবুৰ ৰহমানে। বিদ্যালয়খনৰ অধ্যক্ষ ছফিকুল ইছলামে আঁত ধৰা সভাত বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° ত্ৰিদিব কুমাৰ গোস্বামীয়ে মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ উপযোগী সাৰুৱা ভাষণ প্ৰদান কৰে। অধ্যাপক নজৰুল ইছলাম, ধৰ্মীয় গুৰু আনোৱাৰুল হক চৌধুৰী, নজৰুল ইছলাম, ডাঃ মজিবুৰ ৰহমান আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক নুৰ জামাল আনচাৰিয়ে চমু ভাষন প্ৰদান কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনিত কৃতী ছাত্ৰ-ছাত্ৰীসকলক গামোচা, জাপি আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে, সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৰামপুৰ ছলাপথাৰ জাতীয় বিদ্যালয়ৰ পৰা মোদ্দাচিৰ আলম, সাগৰ দত্ত, জেবিন চুলতানা নামৰ শিক্ষাৰ্থী ৩ গৰাকীয়ে ডিষ্টিংশ্যন আৰু আন ৯ গৰাকীয়ে ষ্টাৰ নম্বৰসহ মুঠ ৪০ গৰাকীয়ে প্ৰথম বিভাগত আৰু ৯ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ এশ শতাংশ উত্তীৰ্ণৰ হাৰে উন্নত ফলাফল দাঙি ধৰিবলৈ সক্ষম হৈছিল।

# সাংবাদিক অমল নাথক বিশেষ বঁটা

**ই-সংবাদ, তেজপুৰ, ২৪ এপ্ৰিলঃ** সংবাদক্ষেত্ৰলৈ আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ বাবে ঢেকীয়াজুলিৰ এগৰাকী সাংবাদিকক বিশেষ বঁটা প্ৰদানৰ কথা ঘোষণা কৰিছে অভিনন্দন সাংস্কৃতিক গোষ্ঠীয়ে। গুৱাহাটীৰ এটা সংবাদ প্ৰতিষ্ঠানৰ সাংবাদিক তথা কেইবাটাও সাংবাদিক সংগঠনৰ সৈতে জড়িত ঢেকীয়াজুলিৰ সাংবাদিক অমল নাথক এই বঁটা প্ৰদান কৰা হ'ব। দীৰ্ঘদিন ধৰি সংবাদসেৱাৰ সৈতে জড়িত ঢেকীয়াজুলিৰ সাংবাদিক অমল নাথক অভিনন্দন সাংস্কৃতিক গোষ্ঠীয়ে প্ৰদান কৰিব সংবাদ প্ৰেৰণ বঁটা-২০২৪। সাংবাদিক অমল নাথক সংবাদ প্ৰেৰণ বঁটা প্ৰদান কৰাত অভিনন্দন সাংস্কৃতিক গোষ্ঠীক বিভিন্ন দল-সংগঠনে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সাংবাদিক অমল নাথক শুভেচ্ছা জনাইছে।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান